**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১।	আজি ব'হাগৰ প্ৰথমটো দিন। ৰাজ্যজুৰি মানুহ বিহু পালন।

২।	ৰঙালী বিহু উপলক্ষে ৰাজ্যৰ মঠ-মন্দিৰ-নামঘৰত ভক্তৰ ভিৰ।

৩।	চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাক লৈ জিলাৰ আয়ুক্তৰে মুখ্যমন্ত্ৰীৰ বৈঠক।

৪।	অসমৰ সাঁতোৰবিদ এলভিচ আলী হাজৰিকাৰ দক্ষিণ আফ্ৰিকাৰ কে'প টাউনৰ পৰা ৰবেন দ্বীপলৈ সাঁতুৰি ইপাৰ সিপাৰ হোৱা প্ৰথমগৰাকী ভাৰতীয় হোৱাৰ সন্মান অৰ্জন।	**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে চেন্নাই ছুপাৰ কিংছৰ ৫ উইকেটত জয়লাভ।

০০০০০০

আজি ব'হাগৰ পহিলা দিন। পৰম্পৰাগতভাৱে আজি ৰাজ্যজুৰি মানুহ বিহু পালন কৰা হৈছে। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লৈছে। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়েও কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

শিৱসাগৰৰ ৰংঘৰৰ বাকৰিতো আজি ৰঙালী বিহুৰ বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হৈছে। ঐতিহাসিক ৰংঘৰৰ বাকৰিত পৰম্পৰাগত খেল-ধেমালি আৰু বিহু-হুঁচৰি অনুষ্ঠান প্ৰদৰ্শন কৰা হৈছে। শিৱসাগৰৰ পৰা ৰঙালী বিহুৰ কাৰ্যসূচী সম্পৰ্কে সবিশেষ জনাব আমাৰ সংবাদদাতা মুজাহিদ আলীয়ে-

**(বাইট ঃ মুজাহিদ আলী)**

তিনিচুকীয়া জিলাৰো ভিন্ন প্ৰান্তত ৰঙালী বিহু উপলক্ষে ভিন্ন কাৰ্যাসূচীৰ আয়োজন কৰা হৈছে। জিলাখনৰ কেইবা ঠাইতো মুকলি বিহুৰ লগতে মঞ্চ বিহুত সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰিছে। এই সন্দৰ্ভত আমাৰ তিনিচুকীয়াৰ সংবাদদাতা মনোৰঞ্জন মৰাণৰ প্ৰতিবেদন–

**(ভইচ ঃ মনোৰঞ্জন মৰাণ)**

চৰাইদেউ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু মথুৰাপুৰ শাখা ছাত্ৰ সন্থাৰ সহযোগত মুকলি বিহুৰ আয়োজন কৰা হৈছে। মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আয়োজিত মুকলি বিহুত আজি ভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰৰ প্ৰতিবেদন-

**(বাইট ঃ নবুল কোঁৱৰ)**

ব'হাগ বিহুৰ পহিলা দিনটোত হোজাই জিলাৰ লংকাৰ মহিলাসকলে ঘৰে ঘৰে গৈ হুঁচৰি গোৱা পৰিলক্ষিত হয়। বিহুৰ সাততা দিনত মহিলাসকলে হুঁচৰি মাৰি পোৱা ধন নামঘৰলৈ আগবঢ়াব বুলি উল্লেখ কৰে।

শিলচৰ চহৰতো অসমীয়া নৱবৰ্ষক আদৰণি জনোৱাৰ বাবে সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰিছে। ব'হাগৰ প্ৰথম দিনটোত প্ৰতিজন অসমীয়াই জ্যেষ্ঠজনৰ সেৱা-আশীৰ্বাদ গ্ৰহণ কৰে। সমান্তৰালকৈ মঠ-মন্দিৰ, সত্ৰ, দেৱালয়তো ব'হাগৰ প্ৰথম দিনটোত নাম প্ৰসংগৰ লগতে ধৰ্মীয় সভাৰ আয়োজন কৰা হৈছে। কামৰূপৰ উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত দৌল গোবিন্দ মন্দিৰত পুৱাৰে পৰাই পূজা-অৰ্চনা কৰিবলৈ ভক্তৰ ভিৰ পৰিলক্ষিত হৈছে। পঞ্চতীৰ্থ হাজোৰ মাধম মন্দিৰ, কেডাৰ মন্দিৰতো বহু ভক্তই আশীষ লৈছে। শুৱালকুছিৰ শ্ৰীহাতী সত্ৰতো পহিলা ব'হাগত ধৰ্মীয় নাম-প্ৰসংগ আয়োজন কৰা হৈছে।

ৰঙালী বিহু উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিহু উপলক্ষে অসমবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসমীয়াৰ বাপতিসাহোন ৰঙালি বিহু আৰু অসমীয়া নৱবৰ্ষৰ শুভক্ষণত ৰাজ্যবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো ৰঙালী বিহু উপলক্ষে ৰাজ্যবাসীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে ৰঙালী বিহু উপলক্ষে দিয়া এটা শুভেচ্ছা বাৰ্তাত এইদৰে কয়-

**(বাইট ঃ ৰাজীৱ লোচন বৰঠাকুৰ)**

০০০০০০

ৰাজ্য চৰকাৰে দুহেজাৰ ২৪১ খন বিহু সমিতিলৈ আৰ্থিক অনুদান আগবঢ়াইছে। ১০ বছৰতকৈ অধিক পুৰণি বিহু সমিতিসমূহলৈ বিগত বৰ্ষৰ দৰে ডেৰ লাখ টকাকৈ সাহায্য প্ৰদান কৰা হৈছে। ২০২৪ চনত দুহেজাৰ ৩০৬ খন বিহু সমিতিক বিত্তীয় সাহায্য প্ৰদান কৰিছিল যদিও এইবাৰ বিত্তীয় সাহায্য লাভ কৰা বিহু সমিতিৰ সংখ্যা ৬৫ লৈ হ্ৰাস পাইছে। বিহু সমিতিসমূহে যাতে বিহু আয়োজনৰ নামত ৰাইজৰ পৰা অন্য ধৰণে বৰঙণি নোতোলে, তাৰ বাবে চৰকাৰে বিহু সমিতিসমূহক এনেদৰে বিগত কেইবাটাও বছৰ ধৰি আৰ্থিক সাহায্য আগবঢ়াই আহিছে। গুৱাহাটীত যান-যটৰ প্ৰতি লক্ষ্য ৰাখি বিহুৰ কেইদিন মহানগৰ আৰক্ষীয়ে সমদল-শোভাযাত্ৰা নিষিদ্ধ কৰিছে। সেইদৰে ৰাজপথত মাৰাথন, ৱাকাথন আদিও নিষিদ্ধ কৰা হৈছে। মহানগৰখনৰ ৰাজপথত সুচল যাতায়াতৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহানগৰ আৰক্ষীৰ উপ-আয়ুক্ত ইমদাদ আলী স্বাক্ষৰিত এটা বিবৃতি প্ৰকাশ কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষা হ'বলগীয়া ১৭খন জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন-টি-এৰ সঞ্চালকৰ সৈতে কালি এখন বৈঠকত মিলিত হয়। অসম আৰক্ষীৰ বিশেষ অনুসন্ধানত ৰাজ্যৰ ব্যক্তিগত পৰীক্ষা কেন্দ্ৰত এই পৰীক্ষাত উত্তীৰ্ণ কেইগৰাকীমান শিক্ষাৰ্থীয়ে অস্বাভাৱিকভাৱে বেছি নম্বৰ লাভ কৰাক লৈ এই বৈঠকৰ আয়োজন কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই বৈঠকত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে জাৰি কৰা নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰত

কোনো ধৰণৰ অনিয়মৰ ক্ষেত্ৰত আপোচ নকৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ড০ শৰ্মাই অহা ৪ মে'ত হ'বলগীয়া এই পৰীক্ষা অত্যন্ত স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰি দেশৰ বাবে দৃষ্টান্ত দাঙি ধৰিবলৈ সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে এই পৰীক্ষাৰ সকলো কেন্দ্ৰ কেৱল চৰকাৰী বা চৰকাৰী সাহায্যপ্ৰাপ্ত মহাবিদ্যালয়ত হ'ব। পৰীক্ষাৰ সামগ্ৰী সৰবৰাহ, বিতৰণ আৰু জমা ৰখাৰ সৈতে সম্পৰ্কিত বিষয়সমূহত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। তদুপৰি পৰীক্ষা কেন্দ্ৰসমূহত প্ৰাৰ্থীসকলৰ আধাৰ কাৰ্ড আধাৰিত বায়োমেট্ৰিক প্ৰমাণিকৰণ ব্যৱস্থা থাকিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০০

আন্তৰ্জাতিক খ্যাতিসম্পন্ন সাঁতোৰবিদ এলভিচ আলী হাজৰিকাই দক্ষিণ আফ্ৰিকাৰ কে'প টাউনৰ পৰা ৰবেন দ্বীপলৈ সাতুৰি ইপাৰ সিপাৰ হোৱা প্ৰথমগৰাকী ভাৰতীয় হোৱাৰ সন্মান অৰ্জন কৰিছে। অসমৰ সুসন্তান এলভিছে কালি ৰঙালী বিহুৰ প্ৰথম দিনাই এই বিৰল কৃতিত্ব অৰ্জন কৰাৰ পাছত ত্ৰিৰংগা পতাকাৰ লগতে অসমীয়াৰ স্বাভিমানৰ প্ৰতীক গামোচাখনো প্ৰদৰ্শন কৰি আন্তৰ্জাতিক মহলত অসমৰ নাম উজ্বলাই তোলে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত চেন্নাই চুপাৰ কিংছৰ পৰাজয়ৰ ধাৰাবাহিকতাৰ অৱশেষত অন্ত পৰিছে। ক্ৰমাগত ৫ খন খেলত পৰাজিত হোৱা দলটো কালি লক্ষ্ণৌ চুপাৰ জায়েণ্টৰ বিৰুদ্ধে ৫ উইকেটত জয়ী হয়। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত লক্ষ্ণৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৬৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। অধিয়ানক ঋষভ পণ্টে সৰ্বাধিক ৬৩ ৰাণ কৰে। ৰবীন্দ্ৰ জাদেজা আৰু মাথিছা পাথিৰাণাই দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰাচিন ৰবীন্দ্ৰ আৰু ৰশ্বিদ শেখে ৫০ ৰাণৰ অপেনিং যুটীৰে চেন্নাইক সুন্দৰ আৰম্ভণি দিয়াৰ পাছত শিবম ডুবেই ৪৩ আৰু অধিনায়ক মহিন্দ্ৰ সিং ধোনীয়ে ২৬ ৰাণ কৰি অপৰাজিত থাকি দলৰ বিজয় সুনিশ্চিত কৰে। মহেন্দ্ৰ সিং ধোনীলৈ প্লেয়াৰ অৱ মেচৰ বঁটা আগবঢ়োৱা হয়।

প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। সম্প্ৰতি দুয়োটা দলেই ৬ পইণ্টকৈ লাভ কৰিছে যদিও উন্নত ৰাণ ৰেটৰ সুবাদত কলকাতা পাঞ্জাবতকৈ এটা স্থান আগুৱাই আছে।

ইপিনে চেন্নাই চুপাৰ কিংছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদে তেওঁলোকৰ দলত এটাকৈ সালসলনি কৰিছে। চেন্নাইয়ে আঘাতপ্ৰাপ্ত ৰুতুৰাজ গাইকোৱাড়ৰ স্থানত আয়ুষ মাত্ৰেক আৰু হায়দৰাবাদে এডাম জাম্পাৰ স্থানত স্মৰণ ৰবিচন্দ্ৰনক দলত অন্তৰ্ভুক্ত কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বৰষুণ আৰু ঢেৰেকনি হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

কেন্দ্ৰই অহা ২৪ ঘণ্টাত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে বৰষুণ হোৱাৰ আগলি বতৰা দিছে। এই সময়ছোৱাত সমগ্ৰ ৰাজ্যজুৰি ধুমুহা আৰু বিজুলী-ঢেৰেকনিৰ লগতে ঘণ্টাত ৪০ৰ ৫০ কিলোমিটাৰ বেগত বতাহ বলাৰ আশংকা কৰা হৈছে। মণিপুৰতো বিজুলী-ঢেৰেকনিৰ লগতে তীব্ৰ বেগত বতাহ্ বলাৰ উপৰি অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড আৰু ত্ৰিপুৰাত ধুমুহা-গাজনি হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত